দিনাংক - ২৬ জানুৱাৰী ২০১৪

## গণৰাজ্য দিৱসৰ চিন্তাধাৰা

অৰুণ কুমাৰ জেটলী

ৰাজ্যসভাৰ বিৰোধী দ'লৰ নেতা

ভাৰতে আজি নিজৰ ৬৫ তম গণৰাজ্য দিৱস উদযাপন কৰিছে । এইটোৱেই সেইটো দিন যি দিনাখন আমি আমাৰ সংবিধানখন পাইছিলো । সংসদীয় গণতন্ত্ৰ, যুক্তৰাষ্ট্ৰীয় গাঠঁনি, বহুতো মৌলিক অধিকাৰ, স্বাধীন ন্যায়পালিকাৰ দ্বাৰা আইনী পুন:বিচাৰ, এই সকলোবোৰ আমাৰ সংবিধানৰ মূল বৈশিষ্ট ।

বহুতো প্ৰত্যাহৱান সামৰি, বহুতো প্ৰত্যাহৱানক বাধা নিক্ষেপ কৰাৰ সাক্ষী হৈ, মই এই মূহুৰ্ত্তত বিশ্বাস কৰো যে আমি এক শক্তিশালী আৰু শিহৰণকাৰী গণতন্ত্ৰ । মোৰ কিছুমান ক্ষেত্ৰৰ প্ৰতি চিন্তা আছে যিয়ে ভৱিষতৰ বাবে কাৰ্য্যক্ৰমণিকা তৈয়াৰ কৰিব । দৰিদ্ৰতাই ভাৰতীয় সমাজক যথেষ্ট প্ৰভাৱ পেলাইছে । আমাৰ জনসংখ্যাৰ প্ৰায় ৩০ শতাংশ লোক দৰিদ্ৰতাৰ সীমাৰেখাৰ তলত আছে । দৰিদ্ৰসকলক গৌৰৱেৰে জীয়াই থকাৰ অধিকাৰ সমূহ নাকচ কৰা হৈছে । সন্ত্ৰাসবাদী আৰু দেশত বৈদেশিক শক্তিৰ প্ৰৱেশৰ সমস্যা এতিয়া ভাৰতৰ সাৰ্বভৌমত্বৰ বাবে প্ৰত্যাহৱান হৈ পৰিছে । আতংকৰ ভয় বাহ্যিক আৰু আভ্যন্তৰীণ দুয়োটা দিশতে আছে । আমি এই ক্ষেত্ৰত আমাৰ সুৰক্ষা কেতিয়াও কম কৰিব নোৱাৰো । ভাৰতত ৰাজনীতিৰ মানদণ্ড আমি যথেষ্ট উন্নত কৰাৰ প্ৰয়োজন আছে । ৰাজনীতিৰ ক্ষমতা ব্যাপক । যি ব্যক্তিয়ে ৰাজনীতিৰ লগত যুজিঁব পাৰে তেওঁলোক ৰাজনীতি বিদ হিচাপে বহুতো ক্ষমতাশালী হ'ব লাগিব । ৰাজনীতিৰ মানদণ্ড হ্ৰাস হোৱা শাসনৰ ওপৰতো পৰিলক্ষিত হৈছে । ভাৰতৰ লোকে এনে শাসন বিচাৰিছে যিয়ে সমাজত সন্মূখীন হোৱা অসুবিধা সমূহ সমাধান কৰিব পাৰে । ভাৰত যদি বেয়া শাসনৰ বাবে ৯ শতাংশ বৃদ্ধি হ'ব পাৰে, তেন্তে ৰাজনীতিৰ মানদণ্ড আৰু শাসন ব্যৱস্থাৰ বিকাশৰ হাৰ কিমান হ'ব ? ভাৰত যথেষ্ট ক্ষমাশীল আৰু সহানুভূতিশীল সমাজ হোৱাৰ প্ৰয়োজন আছে । আমাৰ ব্যৱহাৰত মহিলা আৰু দৰিদ্ৰ লোকৰ বাবে চিন্তা পৰিলক্ষিত হ'ব লাগিব । মহিলাৰ বিৰুদ্ধে অপৰাধৰ বৃদ্ধি আৰু অপৰাধৰ নিষ্ঠুৰতা সমাজৰ বাবে গভীৰ দাগ হৈ পৰিছে । এইয়া আৰু অন্যান্য বহুতো অসুবিধাৰ আমি সন্মূখীন হ'ব লগা হৈছে । আহক আমি এই প্ৰত্যাহৱানসমূহক নেওচাৰ দৃঢ় সংকল্প লওঁ ।